LAKSHMINATH BEZBAROA

Adhunik Asomiya Sahityar Agradoot Aru Jatiyotabadar Sthapati

A collection of lectures delivered by the keynote speaker, Resource persons and selected research papers presented in the UGC Sponsored National Seminar on aforesaid title, edited by Dr. Biswajit Das. Published by Dr. Ajanta Dutta Bordoloi, President Seminar Organising Committee, Department of Assamese, Nowgong Girls' College on the occasion of 150th birth anniversary of Sahityarathi Lakshminath Bezbaroa.

সম্পাদনা সমিতি

সভাপতি

ড° অজন্তা দত্ত বৰদলৈ

সম্পাদক

ড° বিশ্বজিৎ দাস

সদস্য

ড° মঞ্জু লস্কৰ, মৰমী গায়ন, ড° বিপুল মালাকাৰ, অমিয়া পাটৰ

প্ৰথম প্ৰকাশ

জানুৱাৰী, ২০১৫

@ অসমীয়া বিভাগ, নগাঁও ছোৱালী কলেজ

প্ৰকাশক

ড° অজন্তা দত্ত বৰদলৈ, সভাপতি, আলোচনা চক্ৰ আয়োজক সমিতি, অসমীয়া বিভাগ, নগাঁও ছোৱালী কলেজ

মূল্য- ৩০০.০০ টকা

পৰিৱেশক

▪ আঁক-বাক, গুৱাহাটী, ▪ জাগৰণ, নগাঁও, ▪ বুকছ এণ্ড বিয়ণ্ড, নগাঁও

ISBN 978-93-810694-3-4

Disclaimer : The views expressed in the articles/ research papers in this book are those of individual scholars and the editor, editorial board and the institution are in no way responsible for those of the views reflected there.

মুদ্ৰণ- গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন,
মিলনপুৰ, নগাঁও (অসম)

লক্ষ্মীনাথ বেজবৰুৱা আৰু তেওঁৰ দাৰ্শনিক চিন্তা-চৰ্চা

ড° সঞ্চিতা বৰা

অসমীয়া ভাষা-সাহিত্য যে অতুলনীয় সম্পদেৰে চহকী এই কথাষাৰ জাতিটোক, ভাৰতক আৰু জগতখনকে পতিয়ন নিয়াবলৈ যিজন ব্যক্তিয়ে অহোপুৰুষাৰ্থ কৰিছিল তেৱেঁই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। স্বপ্ৰতিভাৰে ভাস্বৰ বেজবৰুৱাদেৱে অসমীয়া ভাষাৰ প্ৰতিডাল শিপা চিনিবলৈ যত্ন কৰিছিল আৰু অসমীয়া জাতিটোকে বুজাই দিবলৈ বিচাৰিছিল যে নিকা বলিষ্ঠ ভাষা আৰু সেই ভাষাত চৰ্চিত সাহিত্যহে আত্মপৰিচয়ৰ সবল মাধ্যম। একে সময়তে অসমীয়াৰ স্বভাৱগত দুৰ্বলতাসমূহো সাহিত্যৰ মাজেদি, বিশেষকৈ ব্যঙ্গ সাহিত্যৰ জৰিয়তে অসমীয়া জাতিটোক আঙুলিয়াই দেখুৱাবলৈ বেজবৰুৱা পিছ হুঁহকা নাছিল।

শ্ৰীশঙ্কৰ-মাধৱৰ জীৱন-দৰ্শন আৰু সাহিত্য-কৃতিৰ আলোচনা-পৰ্যালোচনাৰ মাধ্যমেৰে লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ দাৰ্শনিক চিন্তাধাৰাৰ প্ৰথম আভাস দিছিল। অৱশ্যে, এইকথা সততে চকুত নপৰে যে বেজবৰুৱাদেৱ ভাৰতীয় দাৰ্শনিক পৰম্পৰাৰ এজন সফল ব্যাখ্যাকাৰকো। নাট, কবিতা, সাধু, গল্প, ব্যঙ্গ, জীৱনী, হাস্য আদি কৰি সাহিত্যৰ প্ৰায় সকলো দিশতে অনন্যৰূপত নিজক প্ৰতিষ্ঠা কৰা বেজবৰুৱাৰ দাৰ্শনিক তত্ত্বমূলক প্ৰবন্ধসমূহকো যদি যথাযথভাৱে বিশ্লেষণ কৰা যায়, তেনেহ'লে দেখা যায় যে প্ৰাচীন ভাৰতীয় দাৰ্শনিক পৰম্পৰাক আঞ্চলিক ভাষাত সাৱলীল আৰু সঙ্গতভাৱে উপস্থাপন কৰাত তেওঁ যথেষ্ট সফল হৈছিল। বিদ্যায়তনিক দিশৰ পৰা 'দাৰ্শনিক বেজবৰুৱা' বিশেষণেৰে বিশেষিত কৰিব নোৱাৰিলেও তেওঁৰ তত্ত্বগধুৰ প্ৰবন্ধসমূহৰ দাৰ্শনিক মূল্য কোনোগুণে কম নহয়।

প্ৰকৃততে বেজবৰুৱাৰ দাৰ্শনিক চিন্তাৰ কঠিয়াতলী হ'ল তেওঁৰ পৰিয়ালৰ মজ্জাগত বৈষ্ণৱ ধৰ্মৰ ধাৰাটো। শঙ্কৰ-প্ৰাণ, বৈষ্ণৱ-প্ৰাণ দীননাথ বেজবৰুৱাৰ ছত্ৰছায়াত শৈশৱতেই লক্ষ্মীনাথ বেজবৰুৱা আকৃষ্ট হৈছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ